হৰভজন সিং

-বনাম-

কৰম সিং আৰু অন্যান্য

চেপ্তেম্বৰ ১৬, ১৯৬৫

[ন্যায়াধীশ এ, কে, সৰকাৰ, ন্যায়াধীশ ৰঘুবৰ দয়াল আৰু ন্যায়াধীশ ভি, ৰামস্বামী]

পূৱ পাঞ্জাৱ (একত্ৰীকৰণ আৰু বিখণ্ডন প্ৰতিৰোধ আইন, ১৯৫১-ধাৰা-৪২-ৰাজ্য চৰকাৰৰ ধাৰা-৪২- ৰ অধীনৰ কোনো আবেদনত, প্ৰদান কৰা আদেশ পুনৰ -বিচাৰ কৰাৰ ক্ষমতা আছেনে ।

পূৱ পাঞ্জাৱ হোল্ডিং (একত্ৰীকৰণ আৰু ১৯৪৮ ৰ হোল্ডিং একত্ৰীকৰণৰ এটা যোজনা অনুসৰি, এটুকুৰা জমিৰ সমূহ আপীলকাৰী আৰু প্ৰথম আৰু আঠগৰাকী উত্তৰদাতাক পুনৰ আৱণ্টন দিছিল। এই আৱণ্টনত অসন্তুষ্ট হৈ, এই দুয়োগৰাকী উত্তৰদাতাই প্ৰথমে এই আইনৰ ধাৰা -২৩ ( ৩) -ৰ অধীনত ধাৰা -২৩ ( ৪)- ৰ অধীনত আপীল উপস্থাপন কৰিছিল। প্ৰথমটো আপীল খাৰিজ হৈছিল, কিন্তু দ্বিতীয় আপীলত প্ৰথমগৰাকী উত্তৰদাতাৰ দাবীক হোল্ডিং একত্ৰীকৰণৰ সহকাৰী সঞ্চালকে আংশিক ভাৱে অনুমোদন দিয়ে।

ইয়াৰ পিছত আপীলকাৰীয়ে এই আইনৰ ধাৰা-৪২- ৰ অধীনত সহকাৰী সঞ্চালকৰ আদেশৰ পুণৰীক্ষণ বিচাৰি ৰাজ্য চৰকাৰৰ দ্বাৰস্থ হয় আৰু এই প্ৰক্ৰিয়াত, ধাৰা-৪২- ৰ অধীনত আৱশ্যকীয় আবেদনৰ দুখনকৈ অনুলিপি দাখিল কৰে। প্ৰথম অনুলিপিত, হোল্ডিং একত্ৰিকৰণৰ সঞ্চালকে ১৭ ফেব্ৰুৱাৰি , ১৯৫৮- ত এটা হুকুম প্ৰদান কৰে, যে আবেদন আগৰ নথি-পত্ৰৰ সৈতে দাখিল কৰা হওঁক। দ্বিতীয় অনুলিপিখনত তেঁও ৩ এপ্ৰিল, ১৯৫৮-ত আবেদন খাৰিজ কৰি এটা হুকুম প্ৰদান কৰে । তাৰপিছত, প্ৰথমখন অনুলিপিত সঞ্চালকে

পক্ষসমূহৰ যুক্তি শুনে আৰু ২৯ -আগষ্ট, ১৯৫৮- ৰ হুকুম যোগে, আপীলকাৰীৰ আবেদনত অনুমতি প্ৰদান কৰে আৰু সহকাৰী সঞ্চালকৰ হুকুম ৰদ কৰে ।

ইয়াৰ পিছত প্ৰথম গৰাকী উত্তৰদাতাই অনুচ্ছেদ -২২৬- ৰ অধীনত উষ্চ নায়্যালয়ত ২৯-আগষ্ট, ১৯৫৮- ৰ সঞ্চালকৰ আদেশ বাতিল লেখ আদেশ পত্ৰ বিচাৰি এখন অবেদন দাখিল দিয়ে, আৰু এই আবেদন মঞ্জুৰ হয় এইটো কাৰণত যে ৩-এপ্ৰিল ১৯৫৮- ৰ তেঁওৰ আবেদন খাৰিজ কৰি প্ৰদান কৰা আদেশৰ পৰিপ্ৰেক্ষিতত, সঞ্চালক গৰাকী ২৯ আগষ্ট-১৯৫৮- ৰ আদেশ দিবৰ বাবে যোগ্য নাছিল ।

এই আদালতত কৰা আপীলত,

গৃহীত: ২৯-আগষ্ট-১৯৫৮- ৰ সঞ্চালকৰ আদেশ Ultra Vires (ক্ষমতাৰ বৰ্হিভূত) আৰু আইন ব্যৱস্থা বহিৰ্ভূত [৮২০ ক- খ]

এই আইনৰ ধাৰা-৪২- ৰ অধীনৰ কোনো আদেশ সাপেক্ষে পুনৰ বিচাৰৰ ক্ষমতা ৰাজ্য চৰকাৰক প্ৰদানৰ কোনো বিধান এই আইনত ধাৰ্য নাই । এনেধৰণৰ ধাৰ্য ক্ষমতাৰ অনুপস্থিতিত, এইটো সুস্পষ্ট যে সঞ্চালকে তেঁওৰ পূৰ্বৰ ৩-এপ্ৰিল, ১৯৫৮- ৰ, ধাৰা-৪২- ৰ অধীনত আপিলকাৰীৰ আবেদন খৰিজ কৰি প্ৰদান কৰা আদেশৰ পুনৰ বিচাৰ কৰিব নোৱাৰে । [৮১৯- জ]

ড্ৰিউ -বনাম-উইলিচ (১৮৯১) ১ কিউ, বি, ৪৫০, হেসিওন-বনাম-জ'নেচ, [১৯১৪] 2 কে, বি, ৪২১ আৰু অনন্থাৰাজু চেট্টী -বনাম-অপ্পু হেগড়, এ, আই, আৰ, ১৯১৯ মাদ, ২৪৪ ।

বৈজনাথ ৰাম গোৱেংকা -বনাম-নন্দ কুমাৰ সিং, ৪০, আই, এ, ৫৪, -ত উল্লেখিত । পেটেল ছুনিভাই দাজিভাই -বনাম-নাৰায়ানৰাও খান্দোও জাম্বেলকাৰ আৰু এজন, [১৯৬৫] ২ এচ, চি, আৰ, ৩২৮, অনুসৰণ কৰা হৈছে

দেৱানী আপীল ক্ষেত্ৰাধিকাৰ: দেৱানী আপীল নং, ৪৪৭/১৯৬৩,

পাঞ্জাৱ উচ্চ নায়্যলয়ে লেটাৰ পেটেন্ট আপীল নং, ১২৮/১৯৬০ -ত ১৯-, এপ্রিল, ১৯৬০ -তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশৰ পৰা উদ্ভৱ বিশেষ অনুমতিৰ দ্বাৰা আপীল।

গোপাল সিং, আপীলকাৰিৰ হৈ ।

কে, আৰ, চৌধুৰী, ১ নং উত্তৰদাতাৰ হৈ ।

অ ', পি, মালহোত্ৰা আৰু আৰ, এন, সাছিথেয়, ২ নং- ৰ পৰা ৭ নং উত্তৰদাতাৰ হৈ ।

আদালতৰ ৰায় প্ৰদান কৰিছিল- নায়্যাধীশ ৰামস্বামীয়ে ।

পাঞ্জাৱ উচ্চ নায়্যালয়ে লেটাৰ পেটেন্ট আপীল নং ১২৮/১৯৬০- ত ১৯ এপ্রিল, ১৯৬০- ত প্ৰদান কৰা ৰায় আৰু আদেশ- ৰ পৰা উদ্ভৱ হৈছে বিশেষ অনুমতিৰ প্ৰাপ্তিৰ দ্বাৰা দাখিল কৰা আপীল।

১৯৫৫ চনত, পূৱ পাঞ্জাৱ হোল্ডিং (একত্ৰীকৰণ আৰু বিখণ্ডন প্ৰতিৰোধ) আইন, ১৯৪৮ (ইয়াৰ পিছত আইন বুলি উল্লেখ কৰা হ'ব) -ৰ অধীনত একত্ৰীকৰণ প্ৰক্ৰিয়া আৰম্ভ হৈছিল লুধিয়ানা জিলাৰ ভোলপুৰ গাঁৱত। আইনৰ বিধান অনুসৰি, ২৯-মাৰ্চ, ১৯৫৬- ত হোল্ডিং একত্ৰীকৰণৰ বাবে এখন যোজনা প্ৰকাশ কৰা হৈছিল । ১৪-মে ', ১৯৫৬- ত আইনৰ ধাৰা-২০-অনুযায়ী সেই যোজনা নিশ্চিত কৰা হৈছিল। একত্ৰীকৰণ বিষয়াই সেইমতে ভোলপুৰ গাঁৱত আপীলকাৰী আৰু ১ নং আৰু ৮ নং উত্তৰদাতাক জমিৰ অংশত পুনৰ আৱন্টন দিয়ে । এই আৱন্টনত অসন্তুষ্ট হৈ, ১ আৰু ৮ উত্তৰদাতাই আইনৰ ধাৰা ২১ ( ৩)- ৰ অধীনত আপীল দাখিল কৰে কিন্তু এই আপীল সমূহ বন্দোবস্তি বিষয়াই খাৰিজ কৰে । ইয়াৰ পিছত ১ আৰু ৮ উত্তৰদাতাই আইনৰ ধাৰা -২- ( ৪) -ৰ অধীনত পুনৰ আপীল দাখিল কৰে হোল্ডিং একত্ৰীকৰণৰ সহকাৰী সঞ্চালকক । সহকাৰী সঞ্চালকে ১ নং উত্তৰদাতাৰ আবেদনত তেঁওৰ ২৯ অক্টোবৰ, ১৯৫৭-তাৰিখৰ আদেশ যোগে আংশিক অনুমোদন প্ৰদান কৰে যদিও ৮ নং উত্তৰদাতাৰ আপীল খাৰিজ কৰে । ১০ ফেব্ৰুৱাৰি, ১৯৫৮, -ত আপীলকাৰীয়ে আইনৰ ধাৰা-৪২- ৰ অধীনত সহকাৰী সঞ্চালকে ১ নং উত্তৰদাতাৰ আপীলত প্ৰদান কৰা আদেশৰ সংশোধন বিচাৰি ৰাজ্য চৰকাৰৰ ওচৰ চাপে । অৱশেষত ২৯-আগষ্ট, ১৯৫৮ -ত সংশোধনৰ অবেদন হোল্ডিং একত্ৰীকৰণ- ৰ সঞ্চালকে

গ্ৰহণ কৰে । সঞ্চালকে এইটো নিশ্চিত কৰে যে ২৯-অক্টোবৰ, ১৯৫৭- ৰ সহকাৰী সঞ্চালকৰ মূল আদেশ যোজনাৰ পৰিপন্থী আছিল আৰু ভুল কাৰকৰ ওপৰত আধাৰিত আছিল। সেইমতে সঞ্চালকে ২৯-আগষ্ট, ১৯৫৮- ত হৰভজন সিং- ৰ সংশোধনি আবেদনত অনুমোদন জনায় ।

এইটো দেখা যায় যে আইনৰ ধাৰা-৪২- ৰ অধীনত হভজন সিঙে অবেদনৰ দুটা প্ৰতিলিপি দাখিল দিছিল আৰু তাৰে এটা প্ৰতিলিপিত হোল্ডিং একত্ৰিকৰনৰ সঞ্চালকে ১৭ ফেব্ৰুৱাৰি, ১৯৫৮- ত আগৰ নথিসমূহ আবেদনৰ সৈতে দিবলৈ এক আদেশ দিয়ে । ৩ - এপ্ৰিল, ১৯৫৮- ত আবেদনৰ দ্বিতীয় প্ৰতিলিপিত তলত উল্লেখ কৰা ধৰণে কাৰ্যকৰী হোৱাকৈ সঞ্চালকে এক অদেশ প্ৰদান কৰে:-

হোল্ডিং একত্ৰিকৰনৰ সহকাৰী সঞ্চালকে, ধাৰা-২১- ( ৪) -ৰ অধীনত দিয়া আদেশ সংশোধনৰ প্ৰয়োজন নাই । দাখিল । অৱগত কৰা হওক।

আবেদনৰ প্ৰতিলিপিত য'ত ১৭ -ফেব্ৰুৱৰৰি, ১৯৫৮- ৰ আদেশ গৃহীত আছিল, সেই সন্দৰ্ভত সঞ্চালকে পক্ষসকলৰ শুনানি গ্ৰহণ কৰে আৰু ২৯ -আগষ্ট, ১৯৫৮- ত হৰভজন সিঙৰ আবেদন মঞ্জুৰ কৰি আৰু সহকাৰী সঞ্চালকৰ আদেশ ৰদ কৰি তেঁও আদেশ প্ৰদান কৰে । তাৰপিছত ১ নং উত্তৰদাতাই ২৯-আগষ্ট, ১৯৫৮- ত হোল্ডিং একত্ৰিকৰনৰ সঞ্চালকে দিয়া আদেশৰ বাতিল বিচাৰি সংবিধানৰ অনুচ্ছেদ -২২৬ -ৰ অধীনত পাঞ্জাৱ উষ্চ নায়্যালয়ৰ ওচৰ চাপে। হোল্ডিং একত্ৰিকৰনৰ সঞ্চালকে ২৯-আগষ্ট, ১৯৫৮- ত হুকুম প্ৰদান কৰিবলৈ সক্ষম নাছিল যিহেতুকে ৩-এপ্ৰিল, ১৯৫৮-তাৰিখৰ তেঁওৰ পূৰ্বৰ আদেশ হৰভজন সিঙৰ আবেদন নামঞ্জুৰ কৰিছিল এই কাৰকৰ ওপৰত ভিত্তি কৰি ১০-জানুৱাৰী , ১৯৬০- ত উষ্চ ন্যায়ালয়ে এই আবেদন অনুমোদন কৰে। আপীলকাৰীয়ে বিষয়টো লেটাৰ পেটেন্ট যোগে আপীললৈ নিয়ে যদিও ১৯-এপ্ৰিল, ১৯৬০- ত আপীলটো খাৰিজ কৰা হয় ।

আপীলত নিৰ্ণয়ৰ বাবে উত্থাপিত আইনী প্ৰশ্নটো হ'ল, যে হোল্ডিং একত্ৰিকৰনৰ সঞ্চালকৰ, হৰভজন সিঙৰ আবেদন খৰিজ কৰি ৩-এপ্ৰিল, ১৯৫৮-তাৰিখে তেঁও প্ৰদান কৰা পূৰ্বৰ আদেশ পুনৰ বিচাৰ কৰাৰ অধিকাৰ আছিলনে আৰু আইনৰ ধাৰা-৪২- ৰ অধীনত ২৯-আগষ্ট, ১৯৫৮-তৰিখে প্ৰদান কৰা তেঁওৰ পৰৱৰ্তী আদেশ আইনগতভাৱে বৈধ হয়নে?

আইনৰ ধাৰা -৪২ -ত উল্লেখ আছে:

' ৰাজ্য চৰকাৰে যিকোনো সময়ত গৃহীত যিকোনো আদেশৰ বৈধতা বা প্ৰাথমিকতা, যোজনা প্ৰস্তুতকৰণ বা নিশ্চিতকৰণ বা এই আইনৰ অধীনত কোনো বিষয়াই প্ৰস্তুত কৰা পুনৰ বিভাজনৰ বিচাৰাধীন বা বিচাৰ প্ৰক্ৰিয়া শেষ হোৱা যিকোনো গোচৰৰ ৰেকৰ্ড সেই বিষয়াৰ পৰা নিজ সন্তুষ্টিৰ বাবে তলব কৰিব আৰু পৰীক্ষা কৰিব পাৰে আৰু সেই সন্দৰ্ভত উপযুক্ত বুলি বিবেচিত আদেশ প্ৰেৰণ কৰিব পাৰে:

উল্লেখযোগ্য যে সেই সমূহ গোচৰ য'ত ৰাজ্য চৰকাৰ সন্তোষ্ট হয় যে প্ৰক্ৰিয়া নিৰ্ঘাত অবৈধ ভাৱে আগবাঢ়োৱা হৈছে সেই গোচৰ সমূহৰ বাহিৰে স্বাৰ্থনিহিত থকা পক্ষসমূহক উপস্থিত হোৱাৰ জাননী আৰু শুনানীৰ সুযোগ প্ৰদান নকৰাকৈ কোনো আদেশ, যোজনা বা পুনৰ বিভাজন ভিন্ন বা সংৰক্ষিত কৰিব নোৱাৰিব ।”

আইনত কোনো স্পষ্ট বিধান নাই যিয়ে ৰাজ্য চৰকাৰক আইনৰ ধাৰা-৪২ – ৰ অধীনত প্ৰদান কৰা আদেশৰ পুনৰ বিবেচনা কৰাৰ ক্ষমতা প্ৰদান কৰিছে । এই ধৰণৰ কোনো স্পষ্ট ক্ষমতাৰ অনুপস্থিতিত, এইটো প্ৰকট যে হোল্ডিং একত্ৰিকৰন- ৰ সঞ্চালকে, আইনৰ ধাৰা-৪২- ৰ অধীনত হৰভজন সিংৰ আবেদন অগ্ৰাহ্য কৰি প্ৰদান কৰা ৩-এপ্ৰিল, ১৯৫৮- ৰ তেঁওৰ পূৰ্বৰ আদেশ পুনৰ বিবেচনা কৰিব নোৱাৰে । সেয়েহে এইটো অৱধাৰিত যে সঞ্চালকৰ ২৯-আগষ্ট, ১৯৫৮- ৰ আদেশ নিয়ম বিৰুদ্ধ আৰু বিচাৰ অধিকাৰ ক্ষেত্ৰৰ বাহিৰৰ আৰু উচ্চ নায়্যালয়ৰ সংবিধানৰ অনুচ্ছেদ -২২৬ -ৰ অধীনৰ লেখ আবেদন অনুমোদনৰ দ্বাৰা সেই আদেশ বাতিল শুদ্ধ আছিল ।

ড্ৰিউ -বনাম -উইলছ ( ১) -ত, লৰ্ড ইশেৰ এম, আৰ,- এ নিশ্চিত কৰিছে যে ' কোনো আদালতৰ (আৰু মই ইয়াত যোগ কৰিছো ' কোনো কৰ্তৃপক্ষৰ ’) এটা আদেশ যাক সঠিক ৰূপত কৰা হৈছে তাক ৰদ কৰাৰ অধিকাৰ যেতিয়ালৈকে ই বিধিসম্মত ভাৱে প্ৰদত্ত ...... আছে ' ।

আন এটা হেছিৱন -বনাম-জ’নছ ( ২) -ত ন্যায়াধীশ ৱেনকেসে, নিশ্চিত কৰিছে যে, আইনৰ অধীনত আদালতৰ কোনো অধিকাৰ নাই '। যুক্তি-তৰ্কৰ পিছত বিচাৰপূৰ্বক সতৰ্কতাৰে প্ৰদান কৰা কোনো আদেশ চুড়ান্ত ভাৱে নিশ্চিত বা বাতিল কৰাৰ উদ্দেশে পুনৰ বিচাৰ আৰু এই বিষয়ত এক নতুনকৈ যুক্তি-তৰ্ক গ্ৰহণ কৰাৰ লগতে পৰ্যবেক্ষণ কৰে যে:

" তাৰপিছত আদালতৰ নিজ ক্ষমতাৰ প্ৰয়োগ প্ৰসংগত । ন্যায়িক অধিনিয়মৰ আগতে সাধাৰণ আইন -আদালতৰ পূৰ্বে প্ৰদান কৰা কোনো আদেশ যিয়েই নহওঁক ৰদ কৰাৰ ক্ষমতা নাছিল । এই ক্ষেত্ৰত The court of chancery য়ে কিছু সীমিত অধিকাৰ প্ৰয়োগ কৰিছিল । সকলো আদালতৰ অধিকাৰ আছে প্ৰয়োজনীয় শুধৰণি কৰাৰ যদিহে প্ৰণীত আদেশত আদালতৰ মনোভাৱ স্পষ্ট ৰূপত প্ৰকাশ নাপায়; যদিও সমতাৰ আদালতে এই ক্ষেত্ৰত তাতোকৈ অধিক আগুৱাইছিল, আৰু কোনো উপযুক্ত গোচৰৰ হুকুম বা আদেশ জাৰি আৰু গৃহীত হোৱাৰ আগত প্ৰত্যাহাৰ কৰি; কিন্ত এইটো স্থগিত কৰাৰ পিছত কোনো আদালতৰ বিষয়া বা ন্যায়ধীশৰ ইয়াত হস্তক্ষেপ কৰাৰ অধিকাৰ নাছিল । ন্যায়াধীশ থেসিজেৰ এল, ৰে, চেন্ট, নাজাইৰে কো:(১৮৭৯) 12 ch.D. ss. গোচৰত দিয়া ৰায়ত এইটো স্পষ্ট হয় ।"

মাদ্ৰাজ উষ্চ নায়্যালয়ে অনন্থাৰাজু ছেত্তি -বনাম-অপ্লু হেগড়ে ( ৩) গোচৰত একেই নীতি নিৰ্ধাৰিত কৰিছিল য'ত নায়্যাধীশ চেছাগিৰি আয়াৰে নিৰীক্ষণ কৰিছে:

" আইনৰ নিৰ্দিষ্ট সিদ্ধান্ত এয়া যে যেতিয়ালৈকে আইনে সেই অধিকাৰ প্ৰদান নকৰে তেতিয়ালৈকে কোনো গোচৰ আপীলৰ বাবে যোগ্য নহয় । পুনৰ-বিচাৰৰ ক্ষমতাও আইনৰ দ্বাৰা প্ৰদান কৰা হয় । স্পষ্টত: এটা পক্ষই যিয়ে এক ৰায় লাভ কৰিছে সেয়া অখণ্ডনীয় কৰি ৰাখিবৰ অধিকাৰী, যেতিয়ালৈকে আইনসভাই কাৰ্য পদ্ধতি নিশ্চিত কৰে যাৰ দ্বাৰা ইয়াক ৰদ কৰিব পাৰি । পুনৰ বিচাৰ বাস্তবিকতে হৈছে যিয়ে গোচৰৰ মীমাংসা কৰিছে সেই একে বিষয়াৰ দ্বাৰা আপীলৰ শুনানি গ্ৰহণ । তাত সামান্যতম হ'লেও যুক্তি সংগত কাৰণ অছে এনে উক্তিত যে এইধৰণৰ অধিকাৰ স্যাৱস্ত কৰা উচিত নহয় যেতিয়ালৈকে আইনে ইয়াক নিদিয়ে, এই সম্বন্ধে কোৱা হয় যে আন এখন ন্যায়াধীকৰণে বিচাৰাধীন আদালতৰ পৰা হোৱা আপীলৰ শুনানি লব নোৱাৰে যেতিয়ালৈকে তেনে ধৰণৰ অধিকাৰ ইয়াক আইনে প্ৰদান নকৰে ।

একে সিদ্ধান্তকেই ন্যায়িক কমিটিয়ে বেইজনাথ গোৱেংকা -বনাম-নন্দ কুমাৰ সিং ( ১) -ত নিশ্চিত কৰিছে য'ত বাকী থকা খাজনা আদায়ৰ বাবে এটা মহল বিক্ৰি কৰিছিল । বেংগল ভূমি ৰাজস্ব বিক্ৰয় আইন, ১৮৫৯, ৰ ধাৰা -৩৩- ৰ অধীনত, বেংগল ভূমি ৰাজস্ব বিক্ৰয় আইন, ১৮৬৮- ৰ দ্বাৰা হোৱা সংশোধনি মতে, বিক্ৰি বাতিলৰ বাবে দুটা আপীল আয়ুক্তৰ ওচৰত পেশ কৰা হৈছিল। এই আপীলৰ এটা উত্তৰদাতা, যি মহলৰ সহ -অংশীদাৰ

আছিল, তেওঁৰ দ্বাৰা দাখিল কৰা হৈছিল আৰু ইয়াক খাৰিজ কৰা হৈছিল নিলাম খৰিদ্দাৰ গৰাকীক বিবাদী ভুক্ত নকৰাৰ বাবে দ্বিতীয় আপীলটো দাখিল কৰিছিল মহলৰ আন সহ-অংশীদাৰসকলে, আৰু এইটো আপীলত আয়ুক্তই, ২৩-মাৰ্চ, ১৯৯০- ত বিক্রি জাননীত এট অনিয়মতা থকা কাৰকৰ ভিত্তিত বিক্রি বাতিলৰ এক আদেশ দিয়ে। এই আদেশ সমগ্ৰ মহল সম্পৰ্কে আছিল। ২১-জুন, ১৯০০-৩, আয়ুক্তই এইটো মীমাংসাত উপনীত হয় যে তেঁওৰ ২৩-মাৰ্চ, ১৯০০- ৰ, আদেশ আইন মতে ভুল আছিল, ইয়াক পুনৰ বিচাৰ কৰে, আৰু বিক্ৰী বাহাল ৰাখিবৰ এক আদেশ প্ৰদান কৰে। ইয়াৰ পিছত উত্তৰদাতাই আপীল হোৱা গোচৰটো ন্যায়িক কমিটিৰ সন্মুখলৈ আনে আৰু ২১ জুন, ১৯০০- ৰ আদেশ Ultra Vires আৰু অবৈধ বুলি ঘোষণা কৰাৰ বাবে প্ৰাৰ্থনা জনায়। অতিৰিক্ত অধীনস্থ ন্যায়াধীশে ৰায় দিয়ে যে বিক্রি ৰদ কৰি দিয়া আদেশটো চুড়ান্ত আদেশ আছিল আৰু যাৰ পুনৰ বিচাৰ হব নোৱাৰে। উষ্চ ন্যায়ালয়ে অতিৰিক্ত অধিনস্থ ন্যায়াধীশৰ ৰায়ক সহমত দিয়ে। বিবাদি-আপীলকাৰীৰ আপীল খাৰিজ কৰোতে বিচাৰপতি অকিঞ্চনে কৈছিল:

" তেঁওলোকৰ বিচাৰপতিয়ে স্পষ্টকৈ ৰায় দিছিল যে ২৩ মাৰ্চ, ১৯০০- ৰ, আদেশ চুড়ান্ত আৰু নি: সন্দিগ্ধ আছিল, আৰু ইয়াত, য'ত দূৰ আয়ুক্তৰ সম্বন্ধ, তেঁওৰ সেই আদেশ পুনৰ বিচাৰ কৰাৰ অধিকাৰ নাই যিধৰণে তেঁও পুনৰ বিচাৰ কৰিছে। "

সেই একেই সিদ্ধান্তকেই এই আদালতে অলপতে পুনৰ্ব্যক্ত কৰিছে পেটেল চুন্নিভাই দাজিভাই গয়ৰহ -বনাম-নাৰায়নৰাও খান্দোও জাম্বেকাৰ আৰু এজন (২) গোচৰত। সেইটো গোচৰত ১ নং উত্তৰদাতাগৰাকী আছিল মালিক আৰু আপীলকাৰী আছিল এজন ভাড়াতীয়া। ১-মে ', ১৯৫৬- ত, ১ নং উত্তৰদাতাই বোম্বাই ভাড়া আৰু কৃষি ভূমি অধিনিয়ম, ১৯৪৮ (১৯৪৮- ৰ বোম্বাই অধিনিয়ম LXVII) -ৰ ধাৰা -১৪- ৰ অধীনত ভাড়াতীয়ালৈ তেঁওৰ ভাড়াটিয়া অৱসান কৰি এখন জাননী দিছিল। ২৫-ডিচেম্বৰ, ১৯৫৬-ত ১-নং উত্তৰদাতাই আপীকাৰীক ধাৰা-৩১- ৰ অধীনত ভাড়াটিয়া অৱসানৰ আন এখন জাননী দিছিল। ১০-জুলাই-১৯৫৭- ত, ১ নং উত্তৰদাতাই ধাৰা-২৯- সংলগ্ন ধাৰা -১৪ -ৰ অধীনত ভূমিৰ দখল পুনৰ উদ্ধাৰৰ বাবে এখন আবেদন দাখিল কৰে। ২৫ ডিচেম্বৰ, ১৯৫৭- ৰ এক আদেশ যোগে মহলকাৰীয়ে ১ নং উত্তৰদাতাৰ ১০-জুলাই, ১৯৫৭- ত ধাৰা -২৯ একেলগে পঢ়িব ধাৰা-১৪- ৰ অধীনত দাখিল কৰা আবেদন মঞ্জুৰ কৰে, আৰু ভাড়া সমাপ্তিৰ আৰু ভূমিৰ দখল ১ নং উত্তৰদাতাক চমজাই দিয়াৰ নিৰ্দেশ দিয়ে। আপীলকাৰীয়ে

৯-আগষ্ট, ১৯৫৮- ত আৰু পুনৰ ২৬-আগষ্ট, ১৯৫৮- ত বৰোডাৰ আয়ুক্তলৈ ধাৰা-১৭- ক -ৰ অধীনত ২৫-ডিচেম্বৰ, ১৯৫৭- ৰ মহলকাৰীৰ আদেশৰ পুনৰীক্ষণ বিচাৰি আবেদন কৰে । ১৪ আগষ্ট, ১৯৫৮ -ত বা ইয়াৰ নিকটত, আয়ুক্তই মহলকাৰীৰ পৰা ৰেকৰ্ড সমূহ তলব কৰে, কিন্তু ৰেকৰ্ড সমূহ ২৪-ডিচেম্বৰ, ১৯৫৮- ত পৰ্যন্ত আয়ুক্তৰ কাৰ্যালয়লৈ আহি পোৱা নাছিল । ৩-অক্টোবৰ, ১৯৫৮ বা ইয়াৰ নিকটত আয়ুক্তই এই সংশোধন বিচাৰি কৰা আবেদনসমূহ নাকচ কৰে । ৬-অক্টোবৰ ১৯৫৮- ত আপীলকাৰীয়ে পুনৰ মহলকাৰীৰ আদেশৰ সংশোধন বিচাৰি আয়ুক্তক আবেদন দিয়ে কিন্তু এই আবেদন খনো ১৭-অক্টোবৰ -১৯৫৮- ত আয়ুক্তই খাৰিজ কৰে । ৭-নৱেম্বৰ, ১৯৫৮- ত, স্থানীয় কংগ্ৰেছ মণ্ডল সমিটিয়ে আয়ুক্তৰ পূৰ্বৰ আদেশসমূহ পুনৰ বিবেচনাৰ বাবে অনুৰোধ জনাই এক প্ৰস্তাৱ গ্ৰহণ কৰে । এই প্ৰস্তাৱৰ এটা প্ৰতিলিপি ১০-নৱেম্বৰ, ১৯৫৮- ত আয়ুক্তলৈ প্ৰেৰণ কৰা হয় । ১৪-নৱেম্বৰ, ১৯৫৮- ত, আপীলকাৰীয়ে মহলকাৰীৰ আদেশৰ সংশোধনৰ বাবে ধাৰা-৭৬- ক- ৰ অধীনত আয়ুক্তক পুনৰ আবেদন জনায় । ১৭-ফেব্ৰুৱাৰি, ১৯৫৯- ত কাৰ্যবাহী আয়ুক্তই ধাৰা-৭৬- ক- ৰ অধীনত মহলকাৰীৰ আদেশ সংৰক্ষিত কৰে আৰু বিবাদীয় জমিৰ দখল আপীলকাৰীত বাহাল ৰাখে । বোম্বাই ভাড়া আৰু কৃষি ভূমি আইন, ১৯৫৮- ৰ ধাৰা-৭৬- ক – (১৯৪৮- ৰ বোম্বাই অধিনিয়ম LXVII) -ত উল্লেখিত আছে যে:

'য'ত আপীলৰ বাবে ধাৰ্য সময়ৰ ভিতৰত কোনো আপীল দাখিল হোৱা নাই, আয়ুক্তই নিজা ববীয়াকৈ বা বিভাগীয় বিষয়া বা ৰাজ্য চৰকাৰে এই সন্দৰ্ভত যিকোনো সময়ত ,-

( ক) যিকোনো অনুসন্ধানৰ বা কোনো মামলাৎদাৰ বা ন্যায়াধীকৰনে প্ৰদান কৰা কোনো আদেশ আৰু এই মামলাদৰ বা ন্যায়াধীকৰণৰ কাৰ্যক্ৰমৰ নিয়মিয়তা, যিয়েই নহওঁক ৰেকৰ্ড তলব কৰিব পাৰিব আৰু

( খ) তেঁও সেই সমূহৰ উপযুক্ত বুলি বিবেচনা কৰা আদেশ প্ৰেৰণ কৰিব ।

এইটো উল্লেখ থাকে যে কোনো আদেশ প্ৰদান কৰাৰ এবছৰ উকলি যোৱাৰ পিছত তাৰ ৰেকৰ্ড তলব কৰিব নোৱাৰিব আৰু সেই মামলাৎদাৰ বা ন্যায়াধিকৰনৰ আদেশ সংশোধন, ৰদ বা সংৰক্ষিত কৰিব নোৱাৰিব যেতিয়ালৈকে ইয়াৰ লগত জড়িত পক্ষসমূহৰ উপস্থিতি আৰু শুনানিৰ সুযোগ প্ৰদান কৰা নহয় ।'

২৪ মাৰ্চ, ১৯৫৯- ত ১ নং উত্তৰদাতাই পুনৰীক্ষণ বিচাৰি দিয়া আবেদন ন্যায়াধিকৰনে ২৩ ফেব্ৰুৱাৰি, ১৯৬১- ত খাৰিজ কৰে । সংবিধানৰ অনুচ্ছেদ ২২৭- ৰ অধীনত ১ নং উত্তৰদাতাই ১৫, জুন ১৯৬১ -ত কৰা এক আবেদনত ৫, নৱেম্বৰ, ১৯৬৩ -ত উচ্চ ন্যায়ালয়ে অনুমতি প্ৰদান কৰে । এই তথ্যৰ প্ৰকৃত স্থিতিত, এই আদালতে হৈছে যে পুনৰ বিচাৰ কৰাৰ অধিকাৰৰ অনুপস্থিতিত আয়ুক্তৰ তেওঁৰ পূৰ্বৰ ৩-অক্টোবৰ, ৪-অক্টোবৰ আৰু ১৭ -অক্টোবৰ -১৯৫৮- ৰ আদেশসমূহ আৰু ১৭-ফেব্ৰুৱাৰি, ১৯৫৮- ৰ আয়ুক্তৰ বিষয়টো পুনৰায় – আৰম্ভ কৰি দিয়া পৰবৰ্তী আদেশ অবৈধ, ক্ষমতাৰ আৰু ক্ষেত্ৰাধিকাৰৰ বহিৰ্ভূত আছিল । এই আদালতৰ বহুমত ৰায়ৰ স্থিতি হৈছে:

যদিও ধাৰা -৭৬-ক-ধাৰা -৭৬- ত কৈ পৃথক অসন্তুষ্ট পক্ষৰ দ্বাৰা পুনৰিক্ষণৰ ৰ ব্যৱস্থা নাই, আপীলকাৰীয়ে সঠিকভাবে তেওঁৰ অভিযোগসমূহৰ প্ৰতি আয়ুক্তৰ মনোযোগ আকৰ্ষিত কৰে আৰু তেওঁক ধাৰা-৭৬- ক- ৰ অধীনৰ পুনৰীক্ষণৰ ক্ষমতা প্ৰয়োগ কৰিবলৈ কয় । আপীলকাৰীৰ দ্বাৰা দাখিল কৰা পুনৰ বিচাৰৰ আবেদনসমূহ অধ্যয়ন কৰি, আয়ুক্তই তেঁওৰ নিজা ববীয়া ক্ষমতা প্ৰয়োগৰ সিদ্ধান্ত লয় আৰু মহলকাৰীৰ আদেশৰ এবছৰৰ ভিতৰত ১৪ -আগষ্ট, ১৯৫৮- ত ৰেকৰ্ড তলব কৰে । কিন্তু ৰেকৰ্ড আহি পোৱাৰ আগতেই আৰু ৰেকৰ্ড নোচোৱাকৈয়ে, আয়ুক্তই ৩-অক্টোবৰ, ৪-অক্টোবৰ আৰু ১৭-অক্টোবৰ, ১৯৫৮- ত পুনৰীক্ষণ বিচাৰ কৰা আবেদন সমূহ খাৰিজ কৰি আদেশ প্ৰদান কৰে। এই আদেশ সমূহৰ জৰিয়তে, আয়ুক্তই নিৰ্ণয় কৰে যে মহলকাৰীৰ আদেশত হস্তক্ষেপ কৰাৰ প্ৰয়োজন নাই ...... আয়ুক্তই এই সকলোবোৰ আদেশ তেঁওৰ পুনৰীক্ষণৰ ক্ষেত্ৰত থকা নিজাববীয়া ক্ষমতা সাব্যস্ত কৰি প্ৰদান কৰে । এই সমূহ আদেশ একেদৰে ৰেকৰ্ড তলব কৰি দিয়া আগৰ আদেশ আয়ুক্তই কেৱল মাত্ৰ ধাৰা ৭৬- ক- ৰ অধীনৰ তেঁওৰ পুনৰিক্ষণৰ ক্ষমতা প্ৰয়োগ কৰি প্ৰদান কৰিব পাৰিলে হয় । যিহেতুকে তেঁও মহলকাৰীৰ আদেশৰ সংশোধন, ৰদ নতুবা বিৰুদ্ধে যাবলৈ অস্বীকাৰ কৰিছে, তেঁওে এইসমূহ আদেশ ২-নং উত্তৰদাতালৈ জাননী প্ৰেৰণ নকৰাকৈয়ে প্ৰদান কৰিব পাৰে। আয়ুক্তই নিজৰ পুনৰীক্ষণৰ ক্ষমতা প্ৰয়োগেৰে প্ৰদান কৰা এই আদেশ সমূহ অৰ্দ্ধ-ন্যায়িক আছিল আৰু চুড়ান্ত আছিল । এই আইনে আয়ুক্তক ধাৰা-৭৬- ক- ৰ অধীনত তেঁও প্ৰদান কৰা কোনো আদেশ পুনৰ বিচাৰ কৰাৰ ক্ষমতা প্ৰদান কৰা নাই। কোনো ধৰণৰ পুনৰ বিচাৰৰ ক্ষমতাৰ অনুপস্থিতিত আয়ুক্তই পৰবৰ্তী সময়ত তেঁওৰ পূৰ্বৰ আদেশসমূহৰ পুনৰ বিচাৰ কৰি আৰু মহলকাৰীৰ আদেশৰ ৰদ বা বিৰোধৰ ভিত্তি আছিল বুলি গৃহীত কৰিব নোৱাৰে। বিষয়টো পুনৰ মুকলি

কৰি ১৭-ফ্রেব্রুৱাৰি, ১৯৫৯-তাৰিখে দিয়া পৰবৰ্তী আদেশ আছিল অবৈধ, নিয়ম বিৰুদ্ধ আৰু বিচাৰ ব্যৱস্থা বৰ্হিভূত। আয়ুক্তৰ ১৭-ফেব্রুৱাৰি, ১৯৫৯- ৰ আদেশ এইটো কাৰকৰ ভিত্তিত উষ্চ ন্যায়ালয়ে ৰদ কৰাটো উচিত আছিল। ”

আমাৰ অভিমত এয়ে যে একেই নীতি বৰ্তমানৰ গোচৰৰ ক্ষেত্ৰটো প্ৰযোজ্য আৰু হোল্ডিং একত্ৰিকৰন -ৰ সঞ্চালকৰ তেঁওৰ ৩-এপ্রিল, ১৯৫৮-তাৰিখে এই আইনৰ ধাৰা-৪২-ৰ অধীনত হৰভজন সিঙৰ আবেদন নাকচ কৰি দিয়া আদেশৰ পুনৰ বিচাৰ কৰাৰ অধিকাৰ নাছিল। একেদৰেই হোল্ডিং একত্ৰিকৰন সঞ্চালকৰ ২৯-আগষ্ট, ১৯৫৮-তাৰিখৰ হৰভজন সিঙৰ আবেদনৰ, অনুমতি প্ৰদানৰ পৰবৰ্তী আদেশ আছিল ক্ষমতাৰ বৰ্হিভূত আৰু অবৈধ আৰু উষ্চ ন্যায়ালয়ৰ দ্বাৰা ইয়াক ৰদ কৰাটো সঠিক আছিল।

তদানুসাৰে আমি এই আপীল খৰচ সহ খাৰিজ কৰিলো।

আপীল খাৰিজ কৰা হ’ল।